৭। (ক) অসমীয়া ভাষাৰ শব্দসম্ভাৰ সম্পৰ্কে চমুকৈ লিখা। ১০

*অথবা*

(খ) গঠনৰ ভিত্তিত অসমীয়া বাক্যৰ প্ৰকাৰভেদ সম্পৰ্কে উদাহৰণসহ আলোচনা কৰা।

★★★





**2022**

ELECTIVE ASSAMESE

( Non-CBCS )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। *এটা* শব্দ বা *এটা* বাক্যত উত্তৰ দিয়া : ১×১০=১০

(ক) অসমীয়া ভাষাৰ প্ৰথমখন ব্যাকৰণ কেতিয়া ৰচিত হৈছিল?

(খ) 'অসমীয়া ল'ৰাৰ ব্যাকৰণ' পুথিখন কাৰ ৰচনা?

(গ) কালিৰাম মেধিয়ে ১৯৩৬ চনত প্ৰকাশ কৰা ব্যাকৰণখনৰ নাম কি?

(ঘ) অসমীয়া ভাষাৰ স্বৰৰ উচ্চাৰণত মাত্ৰাৰ বৰ্ণগত পাৰ্থক্য আছেনে?

(ঙ) অসমীয়া ভাষাৰ দন্তমূলীয় পাৰ্শ্বিক ধ্বনিক বুজাবলৈ কোনটো আখৰ ব্যৱহাৰ কৰা হয়?

(চ) ৰূপতাত্ত্বিক আলোচনাৰ মৌলিক একক কি?

(ছ) 'আওমৰণ'—ইয়াত 'আও' কোন শ্ৰেণীৰ সৰ্গ?

(জ) অসমীয়া ভাষাত কোনে প্ৰথমে 'লিংগ নিৰপেক্ষ ৰূপ'ৰ ধাৰণাটো উত্থাপন কৰিছিল?

(ঝ) ''যদু আহিল, মধু নাহিল''—গঠনৰ দিশেৰে ই কোন শ্ৰেণীৰ বাক্য?

(ঞ) 'ইস্কাপন' শব্দটো কোন ভাষাৰ পৰা আহিছে?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) অসমীয়া ভাষাৰ দ্বিতীয়খন ব্যাকৰণৰ নাম কি? ইয়াৰ ৰচক কোন?

(খ) অসমীয়া ভাষাত স্পৰ্শ বৰ্ণ কেইটা আছে? এটা উদাহৰণ দিয়া।

(গ) অভ্যস্ত বা দ্বিৰুক্তিবাচক শব্দ কেই শ্ৰেণীৰ আৰু কি কি?

(ঘ) অসমীয়া ভাষাৰ বহুবচন নিৰ্দেশ কৰাৰ দুটা উপায় লিখা।

(ঙ) বাক্যৰ এফালে কৰ্তা আৰু আনফালে ক্ৰিয়া সমন্বিতে সকলো পদৰ অৱস্থানগত বিভাগ দুটাক কি বোলা হয়?

৩। যি কোনো চাৰিটাৰ ওপৰত টোকা লিখা : ৫×৪=২০

(ক) অসমীয়া ভাষাৰ সন্ধি

(খ) গোলোকচন্দ্ৰ গোস্বামীৰ অসমীয়া ব্যাকৰণ চৰ্চা





(গ) অসমীয়া ভাষাৰ নিৰ্দিষ্টতাবাচক প্ৰত্যয়

(ঘ) অসমীয়া ভাষাৰ নঞৰ্থক ক্ৰিয়া

(ঙ) পদৰ যোগ্যতা

(চ) অসমীয়া ভাষাৰ আৰ্যভিন্ন শব্দ

৪। (ক) অসমীয়া ব্যাকৰণ-চৰ্চাৰ পৰম্পৰাত অনা-অসমীয়া বৈয়াকৰণৰ বৰঙণি সম্পৰ্কে লিখা। ১০

*অথবা*

(খ) হেমচন্দ্ৰ বৰুৱাৰ পৰা কালিৰাম মেধিলৈকে অসমীয়া বৈয়াকৰণৰ ব্যাকৰণ-চৰ্চা সম্পৰ্কে চমুকৈ লিখা।

৫। (ক) স্বৰধ্বনিৰ উচ্চাৰণত কি কি বাগিন্দ্ৰিয়ৰ ব্যৱহাৰ হয়? অসমীয়া স্বৰধ্বনিসমূহ বাগিন্দ্ৰিয়ভিত্তিক বিভাজন কৰি দেখুওৱা। ২+৮=১০

*অথবা*

(খ) দন্তমূলীয় ধ্বনি বুলিলে কি বুজা? অসমীয়া ভাষাৰ দন্তমূলীয় ধ্বনিসমূহ ঘোষত্ব আৰু মহাপ্ৰাণত্ব অনুসৰি বিভাজন কৰি দেখুওৱা। ২+৮=১০

৬। (ক) ক্ৰিয়া কাক বোলে? অসমীয়া ভাষাৰ সমাপিকা আৰু অসমাপিকা ক্ৰিয়া সম্বন্ধে আলোচনা কৰা। ২+৮=১০

*অথবা*

(খ) অসমীয়া ভাষাত কোনকেইটা শব্দৰ লিংগভেদ পোৱা যায়? অসমীয়া ভাষাৰ লিংগভেদৰ পদ্ধতিসমূহ লিখা। ২+৮=১০